অসম

লামডিঙ-বদৰপুৰ পাহাৰীয়া অংশত মালবাহী ৰে'ল লাইনচ্যুত: ১১ খন ৰে'ল বাতিল

লামডিঙ মণ্ডলৰ অন্তর্গত পাহাৰীয়া অংশত মালবাহী ৰে'ল লাইনচ্যুত হোৱাৰ ফলত ১১ খন ৰে'ল বাতিল আৰু চাৰিখনৰ যাত্রা সীমিত কৰা হৈছে।

প্রকাশ: ২৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৪০



Lumding-Badarpur Hill Section Disrupted by Goods Train Derailment; 11 Trains Cancelled (NewzNow)

লামডিঙ, ২৮ নৱেম্বৰ: উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ লামডিঙ সংমণ্ডলৰ অন্তর্গত লামডিঙ-বদৰপুৰ পাহাৰীয়া ৰে'লপথত শুকুৰবাৰে নিশা এক মালবাহী ৰে'লৰ দবা লাইনচ্যুত হোৱাৰ ফলত ৰে'ল চলাচল ব্যাহত হৈ পৰে। বান্দৰখাল আৰু দামচেৰা ষ্টেচনৰ মাজত সংঘটিত হয় এই দুর্ঘটনাটো।

উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মুখ্য জনসংযোগ বিষয়া কপিন্দ্রল কিশোৰ শর্মাই এক প্রেছ বিজ্ঞপ্তিযোগে জনোৱা অনুসৰি, এই ঘটনাৰ বাবে ২৮ নৱেম্বৰৰ দিনটোত চলিবলগীয়া ১১ খন ৰে'লৰ যাত্রা বাতিল কৰা হৈছে। ইয়াৰ উপৰি আন চাৰিখন ৰে'লৰ যাত্রা আংশিকভাৱে বাতিল অর্থাৎ পূর্ব নির্ধাৰিত স্থানলৈকে নগৈ মাজবাটতে সামৰণি মৰা হৈছে।

একক লাইনৰ এই পথছোৱাত মালবাহী ৰে'লৰ দবা লাইনচ্যুত হোৱাৰ ফলত সম্পূর্ণৰূপে স্তব্ধ হৈ পৰে যাতায়াত। ৰে'ল বিভাগৰ উদ্ধাৰকাৰী দলে বর্তমান লাইনচ্যুত হোৱা দবা আঁতৰাই স্বাভাৱিক চলাচল ঘূৰাই আনিবলৈ চেষ্টা

অব্যাহত ৰাখিছে। অৱশ্যে অঞ্চলটো দুৰ্গম পাহাৰীয়া হোৱাৰ বাবে লাইনটো মেৰামতি কৰি চলাচল উপযোগী কৰি তুলিবলৈ কিছু সময়ৰ প্ৰয়োজন হ'ব পাৰে বুলি ৰে'ল কৰ্তৃপক্ষই সঁকিয়াই দিছে।

এই পৰিপ্ৰেক্ষিতত উত্তৰ-পূব সীমান্ত ৰে'লৱেই যাত্ৰীসকলক এই পৰিৱৰ্তনসমূহৰ প্ৰতি লক্ষ্য ৰাখিবলৈ আৰু যাত্ৰা আৰম্ভ কৰাৰ পূৰ্বে ৰে'লৰ সময়সূচী তথা স্থিতি সম্পৰ্কে নিশ্চিত তথ্য ল'বলৈ আহ্বান জনাইছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/7100/lumding-badarpur-hill-section-goods-train-derailment-trains